# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 16-APR-2026
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

———————————————————

১। সংসদত নাৰী শক্তি বন্দন অধিনিয়মকে ধৰি তিনিখনকৈ গুৰুত্বপূৰ্ণ বিধেয়কক লৈ আলোচনা।

২। সাদিনীয়া ব'হাগ বিহুৰ আজি গোসাঁই বিহু। ছগ্ৰা মিছাৰা আৰু ইবাকু বিছুৰ দৰে বিভিন্ন বসন্তকালীন উৎসৱ উদযাপন।

৩। অসমৰ তিনিগৰাকী নৱনিৰ্বাচিত সাংসদসহ দেশৰ আঠগৰাকী সাংসদৰ ৰাজ্যসভাত শপত গ্ৰহণ। **আৰু**

৪। পশ্চিমবংগত দলীয় প্ৰাৰ্থীৰ সমৰ্থনত অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্বাচনী প্ৰচাৰ।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে দেশৰ উন্নয়নৰ যাত্ৰাত আৰু নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত দেশৰ নাৰী শক্তিয়ে অনন্য ভূমিকা গ্ৰহণ কৰিব পাৰে। দেশৰ নীতি নিৰ্ধাৰণত নাৰী শক্তিৰ উপযুক্ত প্ৰতিনিধিত্ব সময়ৰ আহ্বান। লোকসভাত আজি নাৰী শক্তি বন্দন অধিনিয়ম বিধেয়ক আলোচনাত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইদৰে মন্তব্য কৰে।

**বাইট (পি এম)**

প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে দেশৰ গণতন্ত্ৰ শক্তিশালী কৰা আৰু সকলো পক্ষকে লাভান্বিত কৰা এই বিধেয়ক সন্দৰ্ভত সহমত প্ৰকাশ কৰিবলৈ বিৰোধী দলক আহ্বান জনায়। তেওঁ কয়, যে যিসকলে এই বিধেয়কৰ বিৰোধিতা কৰিব, তেওঁলোকে ভৱিষ্যতে ইয়াৰ ফল ভোগ কৰিব লাগিব। শ্ৰীমোদীয়ে কয়, যে এই বিধেয়কখনে আমাৰ দেশৰ গণতন্ত্ৰক নতুন দিক নিৰ্দেশনা দিয়াৰ লগতে দেশৰ ভৱিষ্যতৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। তেওঁ কয়, যে দেশৰ অগ্ৰগতি কেৱল আন্তঃগাঁথনি নিৰ্মাণ, ৰে'লৱে বা অৰ্থনৈতিক উন্নয়নতেই সীমাবদ্ধ নহয়, বৰং এই প্ৰক্ৰিয়াত মহিলাৰ সম অংশগ্ৰহণৰো অতি প্ৰয়োজনীয়। শ্ৰীমোদীয়ে কয়, যে চৰকাৰে নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত সবকা সাথ সবকা বিকাশ মন্ত্ৰক গুৰুত্ব দি আহিছে।

আলোচনাত অংশগ্ৰহণ কৰি সমাজবাদী দলৰ সাংসদ অখিলেশ যাদৱে মহিলাৰ সংৰক্ষণৰ ক্ষেত্ৰত তেওঁৰ দলৰ সমৰ্থন আছে বুলি প্ৰকাশ কৰে। ইয়াৰ পূৰ্বে কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে আজি সংবিধানৰ ১০০ আৰু ৩১ নম্বৰ সংশোধনী বিধেয়ক ২০২৬, আৰু সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণ বিধেয়ক ২০২৬ সংসদত উত্থাপন কৰে। একেদৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কেন্দ্ৰীয়শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক ২০২৬ সদনৰ বিবেচনাৰ্থে উত্থাপন কৰে।

বিধেয়ককেইখন উত্থাপন কৰি আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে আজিৰ দিনটোক ঐতিহাসিক আখ্যা দিয়ে। তেওঁ কয় যে চৰকাৰে মহিলাসকলক ৰাজনৈতিক ন্যায় প্ৰদানৰ হকে কাম কৰি আছে। তেওঁ লগতে কয় যে সংবিধানৰ ১০০ আৰু ৩১ নম্বৰ সংশোধনী বিধেয়ক ২০২৬ য়ে মহিলাৰ বাবে সমতা সুনিশ্চিত কৰিব। ড০ বি আৰ আম্বেদকাৰৰ উদ্ধৃতিৰে শ্ৰীমেঘৱালে কয় যে মহিলাৰ প্ৰগতিৰ মাজেৰে সমাজৰ প্ৰগতি পৰিস্ফুট হয়। মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষনৰ এয়াই উপযুক্ত সময় বুলি তেওঁ মন্তব্য কৰে। শ্ৰীমেঘৱালে কয় যে নৰেন্দ্ৰ মোদী চৰকাৰে মহিলাৰ আৰ্থ সামাজিক উন্নয়নৰ বাবে ভালেমান আঁচনি প্ৰৱৰ্তন কৰিছে। তেওঁ এই সন্দৰ্ভত মুদ্ৰা যোজনা, লাখপতি বাইদেউ

আৰু সুকন্যা সমৃদ্ধি যোজনাৰ দৰে আঁচনিৰ উদাহৰণ দিয়ে। বিধেয়ককেইখন সন্দৰ্ভত বিৰোধী পক্ষৰ হৈ আলোচনাৰ পাতনি মেলি কংগ্ৰেছ্ছ সাংসদ গৌৰৱ গগৈয়ে কয় যে তেওঁৰ দল মহিলাৰ বাবে আসন সংৰক্ষণৰ পক্ষপাতি যদিও এই প্ৰক্ৰিয়া সৰল হ'ব লাগে আৰু ইয়াৰ সমষ্টি পুনৰ নিৰ্ধাৰণৰ সৈতে কোনোধৰণে জড়িত কৰিব নালাগে। লোকসভাত বৰ্তমানৰ ৫৪৩ আসনৰ ভিত্তিত আসন সংৰক্ষণৰ ব্যৱস্থা হ'ব লাগে বুলি তেওঁ দাবী জনায়। তেওঁ লগতে চৰকাৰে মহিলাৰ বাবে আসন সংৰক্ষণৰ ক্ষেত্ৰত অযথা বিলম্ব ঘটাইছে। এই ব্যৱস্থা শীঘ্ৰে ৰূপায়ণ কৰিবলৈ চৰকাৰৰ প্ৰতি তেওঁ আহ্বান জনায়। শ্ৰীগগৈয়ে কয় যে কংগ্ৰেছে সদায় মহিলাৰ বাবে আসন সংৰক্ষণৰ সমৰ্থন কৰি আহিছে। তেওঁ কয় যে কংগ্ৰেছ্ছ নেত্ৰী ছোনিয়া গান্ধীয়ে মহিলাৰ বাবে আসন সংৰক্ষণৰ পোষকতা কৰি ইতিপূৰ্বে সদনত অনুৰূপ দাবী উত্থাপন কৰিছে।

ooooo

সাদিনীয়া ব'হাগ বিহুৰ তৃতীয় দিনটো আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত গোসাঁই বিহু হিচাপে পালন কৰা হৈছে। আজি পুৱাৰে পৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ, নামঘৰ, মন্দিৰ, দেৱালয়কে ধৰি ধৰ্মীয় অনুষ্ঠানসমূহত জনসাধাৰণৰ ব্যাপক সমাগম হয়। বিভিন্ন সত্ৰ-নামঘৰত আজি নাম-প্ৰসংগ, মন্দিৰসমূহত পূজা-অৰ্চনাকে ধৰি ভালেমান কাৰ্যসূচী লোৱা হয়। বছৰটোৰ বাবে নিজৰ লগতে আপোনজনৰ মংগল কামনাৰে ৰাইজে আজি নেদেখাজনৰ ওচৰত আশীষ লয়।

বাক্সা জিলাৰ জালাহ ৰঙালী বিহু সন্মিলনৰ উদ্যোগত আয়োজিত ৰঙালী বিহুৰ ৰূপালী জয়ন্তী মহোৎসৱৰ আজি সামৰণি পৰে। এই উপলক্ষে আয়োজিত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাত বিহু, ঝুমুৰ, কাৰ্বি জনগোষ্ঠীয় সংস্কৃতি, ৰাভা সংস্কৃতিৰ উপৰি মহিলাসকলে পিঠা পনা প্ৰস্তুত কৰাকে ধৰি বিভিন্ন লোক-সংস্কৃতিৰ প্ৰতিফলন ঘটে। এই সন্দৰ্ভত ৰূপালী জয়ন্তী উদযাপন সমিতিৰ এগৰাকী সদস্যই এনেদৰে কয়—

**বাইট**

ইফালে, ৰাজ্যজুৰি ব'হাগ বিহুৰ আনন্দ উছাহ অব্যাহত আছে। উজনিৰ পৰা নামনিলৈ গাঁৱে ভূঞে, চহৰে নগৰে ঢোল, পেঁপাৰ শব্দ আৰু নাচনীৰ নাচোনৰ চেৱত উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন প্ৰান্তত মঞ্চ বিহুৰ লগতে বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। ভৰলুমুখ, চানমাৰি, গণেশগুৰি, নুনমাটি, বশিষ্ঠ চাৰিআলিকে ধৰি বিভিন্ন ঠাইত মঞ্চবিহুৰ আকৰ্ষণীয় অনুষ্ঠান উপভোগ কৰিবলৈ অগণন লোকে ভিৰ কৰিছে। নুনমাটি বিহু সন্মিলনীয়ে আজি ৰঙালী বিহুৰ সৈতে সংগতি ৰাখি দিনৰ ভাগত বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰে। বিহুৰ সৈতে সংগতি ৰাখি ঠায়ে ঠায়ে বিহু নাচ গান, হুঁচৰি, জেং বিহু ঢোল বাদন আৰু অন্যান্য সাংস্কৃতিক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

ooooo

তিৱা জনগোষ্ঠীৰ বসন্তকালীন উৎসৱ ছগ্ৰা মিছাৱা আৰু দেউৰীসকলৰ ইবাকু বিছু কালিৰে পৰা পালন কৰা হৈছে। চ'ত-ব'হাগৰ সংক্ৰান্তিৰ পাছৰটো বুধবাৰৰ পৰা জনগোষ্ঠী দুটাই পৰম্পৰাগতভাৱে এই বসন্তকালীন উৎসৱ পালন কৰি আহিছে।

ছগ্ৰা মিছাৱা তিৱাসকলৰ কৃষিভিত্তিক উৎসৱ। ইয়াত ছগ্ৰা মানে **সকলো** আৰু মিছাৱাৰ অৰ্থ হৈছে **সামূহিক নৃত্য**। কৃষিকাৰ্য আৰম্ভ কৰাৰ পূৰ্বে জনগোষ্ঠীটোৱে আই বসুমতীৰ আশীৰ্বাদ কামনা কৰি পৰম্পৰাগতভাৱে এই উৎসৱ পালন কৰি আহিছে। অৱশ্যে জনগোষ্ঠীটোৰ বিভিন্ন গাঁৱত ইয়াৰ পালন ৰীতিৰ কিঞ্চিৎ ভিন্নতা দেখা যায়।

ইফালে ৰঙালী বিহুৰ সমান্তৰালকৈ শৰণীয়া কছাৰী জনগোষ্ঠীৰ লোকসকলে বাঁহ গোসাঁই উৎসৱ পালন কৰিছে। গোৰেশ্বৰৰ গাছবাৰীত শৰণীয়া কছাৰীৰ লোকসকলে এডাল বাঁহত গাখীৰ ঢালি তেল, সেন্দূৰ সানি গোসাঁই হিচাপে পূজা-অৰ্চনা কৰে। গাঁৱৰ ৰাইজে ঘৰে ঘৰে বাঁহ গোসাঁই ফুৰাই অপায়-অমংগল দূৰ কৰাৰ লগতে কৃষিকাৰ্যৰ শ্ৰীবৃদ্ধিৰ কামনাৰে প্ৰাৰ্থনা জনায়।

টিংখং সমষ্টিৰ চহৰীকাটা গাঁৱত সোণোৱাল কছাৰীৰ লোকসকলে ঘৰে ঘৰে পৰম্পৰাগত হাইদাং হুঁচৰি পৰিৱেশন কৰে। পৰম্পৰা অনুসৰি গৃহস্থৰ চোতালৰ এটা খুঁটাত এডাল বাঁহ থৈ বিহুৱাসকলে হাতে হাতে লাঠীৰে বাঁহডালত কোবাই পেঁপা, ঢোল বজাই এই হুঁচৰি পৰিৱেশন কৰে।

দেউৰীসকলৰ বসন্তকালীন উৎসৱ ইবাকু বিছুও কালিৰে পৰা ৭ দিনীয়াকৈ পালন কৰা হৈছে। দেওঘৰত কালি এই উপলক্ষে বিশেষ উপাসনা কৰা হয়। উপাস্য দেৱতা কুণ্ডিমামা, পিচাদেমা, পিচাচি দেমাচিকে ধৰি বিভিন্ন উপাস্য দেৱ-দেৱীসকললৈ উছৰ্গা আগবঢ়াই ডেকা-গাভৰুসকলে সামাজিক স্থানত লোক গীত, লোক নৃত্য পৰিৱেশন কৰে। সাদিনীয়া বিছু উৎসৱ পালনৰ পাছত শেষৰ দিনটোত বিছু উৰুৱাবা পালন কৰি এই উৎসৱৰ সামৰণি মৰা হ'ব।

বড়ো জনগোষ্ঠীৰ লোকসকলে চ'ত-ব'হাগৰ সংক্ৰান্তিৰ পৰা পালন কৰা বৈশাগু উপলক্ষে বাথৌ দেৱতাক প্ৰাৰ্থনা জনাই বড়ো ডেকাসকলে কান্ধত খাম, হাতত চিফুং, চেৰজা আদি বাদ্যৰে গঞাৰ ঘৰে ঘৰে গৈ বৈশাগু উৎসৱৰ গান গায়।

তামুলপুৰ জিলা সদৰত নিখিল বড়ো ছাত্ৰ সন্থাৰ তামুলপুৰ আঞ্চলিক সমিতিৰ উদ্যোগত কালি উলহ-মালহেৰে ৰংজালি বৈশাগু উদযাপন কৰা হয়।

কোকৰাঝাৰ জিলাৰ বাগানশালীৰ বাথৌথানশালীতো কালি ৰংজালি বৈশাগু উপলক্ষে বাথৌ আৰোজ অনুষ্ঠিত হয়। বড়ো সম্প্ৰদায়ৰ আৰাধ্য দেৱতা বাথৌ বাউৰেৰ বেদীত প্ৰাৰ্থনা কৰি বিশ্বশান্তি, সমৃদ্ধি আৰু সমাগত বছৰটোৰ বাবে ৰাইজে আশীৰ্বাদ বিচাৰে।

বাক্সা জিলাৰ মুছলপুৰ, শালবাৰী, অঞ্চলী, জালাহ, শিমলা, বৰমা, সাউদৰভিঠা, আনন্দবজাৰ, বাঁহবাৰী আদি বিভিন্ন ঠাইতো বৈশাগু উৎসৱৰ আনন্দ মুখৰ পৰিৱেশে বিৰাজ কৰিছে।

গোৱালপাৰা জিলাৰ ৰংডোবা গাঁৱৰ বড়ো জনগোষ্ঠীৰ লোকসকলে বৈশাগু উৎসৱ পালনৰ বাবে সাজু হৈছে। গাঁওখনত অহা ১১ আৰু ১২ ব'হাগত ৰংজালী বৈশাগু উৎসৱ পালন কৰা হ'ব। ইয়াৰ বাবে প্ৰতিদিনে বাগৰুম্বা নৃত্যৰ অনুশীলন চলি আছে।

আনহাতে কোচ ৰাজবংশীসকলেও তেওঁলোকৰ জাতীয় উৎসৱ বিষুৱা চ'ত-ব'হাগৰ সংক্ৰান্তিৰ পৰা উদযাপন কৰিছে। এই উপলক্ষে কোকৰাঝাৰ, গোৱালপাৰা, ধুবুৰী আৰু দাঁতিকাষৰীয়া ৰাজ্য পশ্চিমবংগৰ কোচবিহাৰ অঞ্চলতো জনগোষ্ঠীটোৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনা দেখা গৈছে।

কাৰ্বি আংলং জিলাৰ উমছুৱাইৰ আমছং পিনুঙত অহা ২২ এপ্ৰিলৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে তিৱা জনগোষ্ঠীৰ কৃষিভিত্তিক উৎসৱ লুখুমী য়াংলি অৰ্থাৎ লখিমী আদৰা উৎসৱ পালন কৰা হ'ব। প্ৰতি ৫ বছৰ মূৰে মূৰে এই উৎসৱ উদযাপন কৰা হয়। এই উৎসৱৰ বাবে ইতিমধ্যে গাঁওবাসীয়ে প্ৰস্তুতি আৰম্ভ কৰিছে।

ooooo

অসমৰ তিনিগৰাকী নৱনিৰ্বাচিত সাংসদসহ দেশৰ আঠগৰাকী সাংসদে আজি ৰাজ্যসভাৰ সদস্য হিচপে শপত গ্ৰহণ কৰে। মাহমৰাৰ প্ৰাক্তন বিধায়ক যোগেন মহনে পৰম্পৰাগত সাজ পৰিধান কৰি ৰাজ্যসভাৰ সাংসদ হিচাপে শপত লয়। ইউ পি পি এলৰ নেতা প্ৰমোদ বড়োৱে বড়ো ভাষাত সাংসদ হিচাপে শপত গ্ৰহণ কৰে। তেৰছ গোৱালাই অসমীয়া ভাষাত সাংসদ হিচাপে শপত লয়। ইয়াৰ লগতে বিহাৰৰ পাঁচগৰাকী সাংসদে শপত গ্ৰহণ কৰে। ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণে আটাইকেইগৰাকী সাংসদক শপতবাক্য পাঠ কৰোৱায়।

ooooo

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যখনত প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। শাসক-বিৰোধী উভয়ে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে বিভিন্ন নিৰ্বাচনী চমকৰ সৃষ্টি কৰিছে। নিৰ্বাচনী প্ৰচাৰৰ বাবে অসম ৰাজ্যিক বিজেপিৰ ৫০ জনীয়া এটা দল আজি পশ্চিম বংগত উপস্থিত হয়। বিজেপিৰ জ্যেষ্ঠ নেতা তথা অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বাতাচি, হাঁসীমাৰা আৰু কোচবিহাৰত দলীয়

প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। মন্ত্ৰী পীযুষ হাজৰিকা, জয়ন্ত মল্ল বৰুৱা, ৰঞ্জিত কুমাৰ দাস, বিমল বৰা, ৰণোজ পেগু, ৰূপেশ গোৱালা, কৃষ্ণেন্দু পাল, সাংসদ পৰিমল শুক্লবৈদ্যৰ লগতে কেইবাজনো বিধায়ক আৰু ৰাজ্যিক পৰ্যায়ৰ নেতাই নিৰ্বাচনী প্ৰচাৰৰ বাবে ইতিমধ্যে ৰাজ্যখনত বাহৰ পাতিছে। একেদৰে শাসকীয় দল তৃণমূল কংগ্ৰেছকে ধৰি অন্য বিৰোধী দলসমূহেও নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে।

ooooo

সমাপ্ত